**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-12-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
**------------------------**

০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত অনুষ্ঠিত মুখ্য সচিবসকলৰ চতুৰ্থ ৰাষ্ট্ৰীয় সমাৰোহত অধ্যক্ষতা কৰিছে। এই তিনিদিনীয়া সমাৰোহ কালিৰে পৰা অনুষ্ঠিত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবিধানৰ আদৰ্শৰে **চবকা চাথ, চবকা বিকাশ, চবকা বিশ্বাস আৰু চবকা প্ৰয়াস** মন্ত্ৰৰে কাম কৰি আছে।

৩। লোকসভাত অহা সোমবাৰে " **এক দেশ , এক নিৰ্বাচন**" সন্দৰ্ভত দুখন বিধেয়ক উত্থাপন কৰা হ'ব।

৪। বিকাশৰ ১২ দিনৰ কাৰ্যসূচী ৰূপায়ণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত গোলাঘাট জিলাৰ হিতাধিকাৰীসকলৰ মাজত অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনিৰ তৃতীয় পৰ্যায়ৰ সাহায্য বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

***আৰু***

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ব্ৰীচ বেনত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ তৃতীয়খন খেলৰ আজি প্ৰথমদিনৰ খেল বৰষুণৰ বাবে বাতিল কৰা হয়। ০০০

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত অনুষ্ঠিত মুখ্য সচিবসকলৰ চতুৰ্থ ৰাষ্ট্ৰীয় সমাৰোহত অধ্যক্ষতা কৰিছে। এই তিনিদিনীয়া সমাৰোহ কালিৰে পৰা অনুষ্ঠিত হৈছে। সমাৰোহখনত ৰাজ্যসমূহৰ সহযোগিতাত বিভিন্ন উন্নয়নমূলক কাম-কাজৰ ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ সৈতে ৰাজ্য চৰকাৰসমূহৰ অংশীদাৰীত্ব শক্তিশালী কৰি তোলাৰ লক্ষ্য লোৱাৰ লগতে সমাৰোহখনত সহযোগিতামূলক ফেডাৰেল ব্যৱস্থাত আলোকপাত কৰা হ'ব। তদুপৰি দ্ৰুত বিকাশ আৰু উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ বাবে কেন্দ্ৰ-ৰাজ্যৰ অধিক সমন্বয়ত গুৰুত্ব দিয়া হ'ব। মুখ্য সচিবসকলৰ প্ৰথমখন ৰাষ্ট্ৰীয় সমাৰোহ ২০২২ চনৰ জুনত হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত হৈছিল। দ্বিতীয়খন সমাৰোহ যোৱা বছৰৰ জানুৱাৰীত আৰু তৃতীয়খন সমাৰোহ যোৱা বছৰৰ ডিচেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হৈছিল।

আকাশবাণীৰ সংবাদদাতাই জনোৱা অনুসৰি এই সমাৰোহত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ মুখ্য সচিবসকলৰ লগতে জ্যেষ্ঠ চৰকাৰী বিষয়াবৰ্গ আৰু একাংশ বিশেষজ্ঞই অংশগ্ৰহণ কৰিছে। কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত সহযোগিতা সুদৃঢ় কৰি তোলাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্য সচিবসকলৰ

সমাৰোহৰ আৰম্ভণি কৰিছিল। এইবাৰৰ সমাৰোহৰ জৰিয়তে ছটা খণ্ড ক্ৰমে নিৰ্মাণ, সেৱা, গ্ৰাম্য, নগৰ, পুনৰনবীকৰণ শক্তি আৰু বৃত্তাকাৰ অৰ্থনীতিত আলোকপাত কৰা হৈছে।

সমাৰোহত বিকশিত ভাৰতৰ বাবে উচ্চ প্ৰযুক্তি, অৰ্থনৈতিক বিকাশৰ কেন্দ্ৰ হিচাপে মহানগৰসমূহৰ বিকাশ, বিনিয়োগৰ বাবে ৰাজ্যসমূহৰ অৰ্থনৈতিক সংস্কাৰ আৰু মিছন কৰ্মযোগীৰ জৰিয়তে যোগ্যতা নিৰ্মাণ বিষয়ত চাৰিখন বিশেষ অধিবেশন অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবিধানৰ আদৰ্শৰে **চবকা চাথ, চবকা বিকাশ, চবকা বিশ্বাস আৰু চবকা প্ৰয়াস** মন্ত্ৰৰে কাম কৰি আছে। লোকসভাত চলি থকা সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰা বিষয়ক দুদিনীয়া আলোচনাত আজি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৰে এইদৰে কয়। কালিৰে পৰা অনুষ্ঠিত এই আলোচনাত ভাগ লৈ মন্ত্ৰী ৰিজিজুৰে সংবিধান প্ৰণেতা ড০ ভীমৰাও আম্বেদকাৰৰ অৱদানৰ কথা সোঁৱৰে। তেওঁ কয় যে স্বাধীনতাৰ পাছত দেশত সকলোৰে সমান অধিকাৰ লাভ কৰাটো সুনিশ্চিত কৰা হৈছে। সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকল দেশত কোনোধৰণৰ বৈষম্যৰ বলি হোৱা নাই বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁলোকক দেশত আইনী সুৰক্ষা প্ৰদান কৰা হৈছে। তেওঁ উল্লেখ কৰে যে দেশৰ ছটা সংখ্যালঘু সম্প্ৰদায়ৰ কল্যানৰ বাবে ভালেমান আঁচনি ৰূপায়ণ কৰা হৈছে। জনসাধাৰণে নিজৰ দেশৰ বিষয়ে মন্তব্য আগবঢ়োৱাৰ ক্ষেত্ৰত সাবধান হোৱাত গুৰুত্ব দি শ্ৰী ৰিজিজুৰে কয় যে এনেধৰণৰ মন্তব্যই বিশ্বৰ সন্মুখত দেশৰ ভাৱমূৰ্তি ম্লান কৰে ।

ooooo

লোকসভাত অহা সোমবাৰে " **এক দেশ , এক নিৰ্বাচন**" সন্দৰ্ভত দুখন বিধেয়ক উত্থাপন কৰা হ'ব। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে সংবিধান (১২৯ সংখ্যক সংশোধনী) বিধেয়ক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন (সংশোধনী) বিধেয়ক নিম্ন সদনত উত্থাপন কৰিব।

শেহতীয়াকৈ, চৰকাৰে সমগ্ৰ দেশতে একে সময়তে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে **এক দেশ এক নিৰ্বাচন** ব্যৱস্থা সন্দৰ্ভত বিচাৰ বিবেচনাৰ বাবে গঠন হোৱা উচ্চ পৰ্যায়ৰ সমিতিৰ প্ৰস্তাৱ গ্ৰহণ কৰে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধ্যক্ষতাত গঠন হোৱা এই উচ্চ পৰ্যায়ৰ সমিতিখনে ৰাজনৈতিক দলৰ নেতা আৰু বিশেষজ্ঞসকলকে ধৰি অন্যান্য অংশীদাৰীসকলৰ সৈতে এই সন্দৰ্ভত বৃস্তিতভাৱে আলোচনা কৰে। **এক দেশ এক নিৰ্বাচন** ব্যৱস্থা দুটা পৰ্যায়ত ৰূপায়ণ কৰা ৰূপায়ণ কৰা হ'ব। প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত হোৱাৰ বিপৰীতে পঞ্চায়ত আৰু পৌৰসভাৰ দৰে স্থানীয় নিকায়সমূহৰ নিৰ্বাচন সাধাৰণ নিৰ্বাচনৰ ১০০ দিনৰ ভিতৰত অনুষ্ঠিত হ'ব।

ooooo

অসমত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰা খচৰা ভোটাৰ তালিকা সন্দৰ্ভত থকা ওজৰ আপত্তিসমূহ ২১ ডিচেম্বৰৰ ভিতৰত নিস্পত্তি কৰা হ'ব। এইবাৰ পঞ্চায়ত নিৰ্বাচন ৰাজ্যৰ দুহেজাৰ ৭৮১ টা ভোটকেন্দ্ৰত অনুষ্ঠিত হ'ব।

ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চল আৰু পৌৰ সভা এলেকাক বাদ দি ৰাজ্যখনৰ ২৭খন জিলা সামৰি খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। তালিকাত এক কোটি ৭৫ লাখ ৫৪ হাজাৰ ৫৮৯ গৰাকী ভোটদাতা অন্তৰ্ভুক্ত হৈছে। আয়োগে ৩৯৭ খন জিলা পৰিষদ, ১৮১ খন আঞ্চলিক পঞ্চায়ত, দুহেজাৰ ১৯৩ খন গাঁও পঞ্চায়ত আৰু ২১ হাজাৰ ৩৩০টা ৱাৰ্ড সামৰি এইবাৰৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰিছে। ০০০০

০০০০০

অসম চৰকাৰৰ বিকাশৰ ১২ দিনৰ কাৰ্যসূচী ৰূপায়ণৰ উদ্দেশ্যে আজি ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাৰ সমন্বয় ক্ষেত্ৰত জিলাখনৰ হিতাধিকাৰীসকলৰ মাজত অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনিৰ তৃতীয় পৰ্যায়ৰ সাহায্য বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী শৰ্মাৰ লগতে কেইবাগৰাকী মন্ত্ৰী– বিধায়ক উপস্থিত থাকে। এই অনুষ্ঠানৰ পাছতে মুখ্যমন্ত্ৰী শৰ্মাই গোলাঘাটত নিৰ্মিয়মান চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ লগতে জিলা আয়ুক্ত কাৰ্যালয়ও পৰিদৰ্শন কৰিব। বিকাশৰ ১২ দিনৰ কাৰ্যসূচীৰ অধীনত গোলাঘাটত অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত তৃতীয়বৰ্গৰ ঋণীলৈ দ্বিতীয় পৰ্যায়ত ঋণ মাফ কৰি দিয়া প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। এই আঁচনিৰ জৰিয়তে জিলাখনৰ ৫ হাজাৰ ১১৯ গৰাকী ঋণী উপকৃত হ'ব। ০০০০

০০০০০

শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰ দিশানায়কে কাইলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ভাৰতলৈ আহিব। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ পাছত এয়া শ্ৰীদিশানায়কেৰ প্ৰথম ভ্ৰমণ হ'ব। তেওঁ কয়, যে এই তিনিদিনীয়া ভ্ৰমণকালত শ্ৰীদিশানায়কে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক, আঞ্চলিক আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ আলোচনা কৰিব। ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ বহুপাক্ষিক আৰু পাৰস্পৰিক সহযোগিতা অধিক সুদৃঢ় কৰিব বুলি মুখপাত্ৰগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয় যে উপস্থাপন আৰু আলোচনাৰ সমতাই হৈছে ভাৰতীয় গণতন্ত্ৰৰ কেন্দ্ৰ। তেওঁ ভাৰতীয় ডাক আৰু দূৰ সংযোগ গণনা আৰু বিত্ত সেৱা বিভাগৰ নতুন দিল্লীত অনুষ্ঠিত ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত এইদৰে কয়। সঠিক ব্যাখ্যা আৰু আলোচনাই উভয় পক্ষকে উপকৃত কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে সমন্বয়েই হ'ল দুয়োপক্ষৰ সাফল্যৰ চাবিকাঠী। আত্মসমালোচনা অত্যন্ত গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি তেওঁ কয় যে আধুনিক অসামৰিক সেৱাৰ লোকসকল প্ৰযুক্তিগত ভাৱে আগবঢ়া হ'ব লাগে আৰু পৰম্পৰাগত প্ৰশাসনিক সীমা অতিক্ৰম কৰি কাম কৰিব পৰা হ'ব লাগে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ব্ৰীচবেনত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ তৃতীয়খন খেলৰ আজি প্ৰথমদিনৰ খেল বৰষুণৰ বাবে বাতিল কৰা হয়। খেলখন কাইলৈ নিৰ্ধাৰিত সময়ৰ আধা ঘণ্টা পূৰ্বে আৰম্ভ হ'ব। অষ্ট্ৰেলিয়াই আজি প্ৰথমে বেট ধৰি বৰষুণৰ আগলৈকে ২৮ ৰান সংগ্ৰহ কৰে।

ooooo

জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আৰু বৰ্তমানৰ বিধায়ক ই ভি কে এছ এলংগ'ৱনৰ আজি চেন্নাইত মৃত্যু হয়। ইৰ'দ পূব সমষ্টিৰ পৰা নিৰ্বাচিত হোৱা ৭৫ বছৰীয়া নেতা গৰাকী দীৰ্ঘদিনধৰি অসুস্থ হৈ আছিল। ২০০৪ চনত তেওঁ লোকসভালৈ নিৰ্বাচিত হোৱাৰ লগতে দুবাৰকৈ বিধানসভালৈ নিৰ্বাচিত হৈছিল। তেওঁ ২০০৪ ৰপৰা ২০০৯ চনলৈকে কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী আছিল। ০০০

সমাপ্ত